জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৫৬/২০২০

## কোকৰাঝাৰত বিশাল জনসভাত অংশ ল'লে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে

# বড়ো শান্তি চুক্তিয়ে অসম তথা উত্তৰ পূৰ্বাঞ্চলত স্থায়ী শান্তিৰ পথ প্ৰশস্ত কৰিলে ঃ প্ৰধানমন্ত্ৰী মোদী

## প্ৰধানমন্ত্ৰীৰ পদক্ষেপে অসমক নতুন পৰিচয় প্ৰদান কৰিছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ৭ ফেব্ৰুৱাৰী ঃ** 'বড়ো শান্তি চুক্তিক ভাৰতবৰ্ষৰ ১৩০ কোটি জনগণে আদৰণি জনাইছে। এই চুক্তিয়ে অসম তথা উত্তৰ পূৰ্বাঞ্চলত স্থায়ী শান্তিৰ পথ প্ৰশস্ত কৰিলে। কেৱল অসমে নহয় উত্তৰ পূৰ্বাঞ্চলৰ বাবে এয়া এটি নতুন আৰম্ভণি। বিকাশ আৰু বিশ্বাসক মূলধন হিচাপে লৈ এতিয়া প্ৰগতিৰ গতি ত্বৰান্বিত কৰাৰ বাবে সকলোৱে সংকল্প ল'ব লাগিব। এই ভূমিলৈ যাতে হিংসাৰ পৰিৱেশ উভতি নাহে তাৰ বাবে সংকল্প ল'ব লাগিব। আজি যি সকল মূলসুঁতিলৈ উভতি আহিছে তেওঁলোকৰ জীৱনৰ পৰা মৃত্যু ভয় আঁতৰি যোৱাৰ উপৰি শান্তিৰে জীৱন অতিবাহিত কৰিব পাৰিব। এটা সময়ত এই অঞ্চলটোত দিনে-ৰাতি গুলীৰ শব্দ চলিছিল। তাৰ বিপৰীতে আজি শান্তিৰ এক নতুন দিগন্ত উদয় হ'ল।' আজি কোকৰাঝাৰৰ খাৰগাঁও-টেঙাপাৰাত বড়ো চুক্তিৰ সফলতা উদ্‌যাপনৰ উদ্দেশ্যে আয়োজিত বিশাল ৰাজহুৱা সভাত ভাষণ প্ৰদান কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এইদৰে কয়।

স্বাধীনতাৰ পিছত এনে বৃহৎ ৰেলী তেওঁৰ জীৱনত দেখাৰ সৌভাগ্য হোৱা নাছিল বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে কালি বন্তি প্ৰজ্বলন কৰি জনসাধাৰণে নিজৰ আনন্দ উলাহ যি দৰে প্ৰকাশ কৰিছে সেয়া সমগ্ৰ দেশৰ জনসাধাৰণে প্ৰত্যক্ষ কৰিছে। বড়োফা উপেন্দ্ৰ নাথ ব্ৰহ্মক শ্ৰদ্ধাৰে স্মৰণ কৰি প্ৰধানমন্ত্ৰীয়ে এই চুক্তিত স্বাক্ষৰকাৰী আবছু আৰু এনডিএফবিৰ সকলো গোটকে ধন্যবাদ জ্ঞাপন কৰে। এই চুক্তিয়ে কলা, সংস্কৃতি, সাহিত্য, বিকাশকে ধৰি সকলো দিশতে ইতিবাচক প্ৰভাৱ পেলাব বুলি প্ৰধানমন্ত্ৰীয়ে কয়। এই ঐতিহাসিক চুক্তিয়ে শান্তি আৰু বিকাশৰ নতুন অধ্যায়ৰ সূচনা কৰিলে বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে মহাত্মা গান্ধীৰ ১৫০ বছৰীয়া জয়ন্তী উদ্‌যাপনৰ সময়ছোৱাত স্বাক্ষৰিত এই চুক্তিয়ে কেৱল ভাৰতবৰ্ষকে নহয় বিশ্ববাসীকো শান্তিৰ ক্ষেত্ৰত এক নতুন বাৰ্তা প্ৰেৰণ কৰিলে। মহাত্মা গান্ধীৰ অহিংসাৰ পথেৰে শান্তিৰ প্ৰক্ৰিয়ালৈ উভতি অহা সকলে দেশৰ গণতন্ত্ৰ আৰু সংবিধানক অতি উচ্চপৰ্যায়লৈ নিয়াৰ ক্ষেত্ৰত এক পৰিৱেশ ৰচনা কৰিলে বুলি তেখেতে কয়।

গোলাঘাটত অনুষ্ঠিত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ অধিৱেশনৰ কথা উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে ভাষা, সাহিত্য, কলা-সংস্কৃতি আৰু আধ্যাত্মিকতাৰে কেৱল ভাৰতবৰ্ষতে নহয় সমগ্ৰ বিশ্বক মাৰ্গদৰ্শন দেখুৱাইছে। প্ৰধানমন্ত্ৰীয়ে কয় যে পাঁচ দশকজুৰি বড়োলেণ্ডত থকা লোক সকলে শান্তিৰ বাবে অপেক্ষা কৰি আছিল। এই চুক্তি স্বাক্ষৰে স্থায়ী শান্তিৰ লগতে সমৃদ্ধি আৰু বিকাশৰ নতুন পথ ৰচনা কৰিলে। এই চুক্তিয়ে এক নতুন ইতিহাস ৰচনা কৰাৰ উপৰি শান্তিৰ সপক্ষে আমাৰ

বিশ্বাস অধিক শক্তিশালী কৰি তুলিলে। হিংসাৰ দ্বাৰা কোনো সমস্যাৰ সমাধান নহয় বুলি উল্লেখ কৰি উত্তৰ-পূৰ্বাঞ্চল, জন্মু-কাশ্মীৰকে ধৰি দেশৰ বিভিন্ন প্ৰান্তত যিসকলে এতিয়াও হিংসাৰ আশ্ৰয় লৈ আছে সেইসকলক বড়ো চুক্তিৰ জৰিয়তে সমাজৰ মূলসুঁতিলৈ অহা যুৱকসকলৰ পৰা প্ৰেৰণা ল'বলৈ আৰু শান্তিৰ পথ গ্ৰহণ কৰিবলৈও প্ৰধানমন্ত্ৰীয়ে আহ্বান জনায়।

প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে ১৯৯৩ চনত আৰু ২০০৩ চনত বড়ো শান্তি চুক্তি স্বাক্ষৰিত হৈছিল যদিও চিৰস্থায়ী শান্তি সম্ভৱ হোৱা নাছিল। ভাৰত চৰকাৰ, অসম চৰকাৰ আৰু বড়ো আন্দোলনৰ নেতৃবৃন্দৰ মাজত স্বাক্ষৰিত বড়ো চুক্তিৰ ফলশ্ৰুতিত চৰকাৰে বিকাশকে এতিয়া প্ৰথম আৰু প্ৰধান লক্ষ্য হিচাপে লৈ আগবাঢ়িব। তেখেতে কয় যে অঞ্চলটোৰ জনসাধাৰণৰ দুখ, আশা-আকাংক্ষা উপলব্ধি কৰি তথা নতুন প্ৰজন্মৰ উজ্জ্বল ভৱিষ্যত সুনিশ্চিত কৰি আগুৱাই নিবৰ বাবে কেন্দ্ৰীয় চৰকাৰে সকলো ধৰণৰ প্ৰয়াস কৰিব। যি সকলে বন্দুক, পিষ্টল, গুলী এৰি শান্তিৰ পথলৈ ঘূৰি আহিলে তেওঁলোক কি পৰিস্থিতিৰ মাজত আছে সেই কথা তেঁও উপলব্ধি কৰিব পাৰে বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে আপোনালোকৰ চিন্তা মই কৰিম। শান্তি, প্ৰেম, অহিংসাৰ পথলৈ আহি আপোনালোকে কেৱল অসমবাসীৰে নহয়, সমগ্ৰ দেশবাসীৰে হৃদয় জয় কৰিছে। এই চুক্তিত সকলোৰে জয় হৈছে বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে বড়ো শান্তি চুক্তি শান্তি আৰু মানৱতাৰ জয়। চুক্তিৰ পিছত বিটিএডিৰ সীমা নিৰ্দ্ধাৰণৰ বাবে আয়োগ গঠন, বড়োলেণ্ড স্বায়ত্ত শাসিত অঞ্চলৰ উন্নয়নৰ বাবে ১,৫০০ কোটি টকা বিশেষ উন্নয়ন পেকেজ দিয়াৰ বিষয়টোও প্ৰধানমন্ত্ৰীয়ে ভাষণ প্ৰসংগত উল্লেখ কৰি কয় যে বড়ো জনজাতি লোকসকলৰ অধিকাৰ, ভাষা-সংস্কৃতি সংৰক্ষণ আৰু বিকাশ এই চুক্তিৰ ফলত সুনিশ্চিত হ'ব। বিটিচিত বসবাস কৰা সকলোৱে একেলগে মিলি বিকাশৰ এক নতুন আৰ্হি প্ৰস্তুত কৰিব লাগিব বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে বড়ো জনগোষ্ঠীৰ ভাষা-সাহিত্য, সংস্কৃতিৰ উত্তৰণৰ বাবে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ বাবেও ৰাজ্য চৰকাৰক ধন্যবাদ জ্ঞাপন কৰে।

প্ৰধানমন্ত্ৰীয়ে কয় যে অসম চুক্তিৰ ৬ নং দফা কাৰ্যকৰীকৰণৰ বাবে কেন্দ্ৰীয় চৰকাৰ অতিকৈ আগ্ৰহী। সমিতিৰ প্ৰতিবেদন লাভ কৰাৰ পিছতে ৬ নং দফা ৰূপায়ণৰ বাবে পদক্ষেপ গ্ৰহণ কৰা হ'ব বুলিও প্ৰধানমন্ত্ৰীয়ে কয়।

প্ৰধানমন্ত্ৰীয়ে কয় যে এসময়ত উত্তৰ পূৰ্বাঞ্চল মানেই আছিল আন্দোলন, পথ অৱৰোধ, হিংসা সন্ত্ৰাসৰ এলেকা। উত্তৰ পূবৰ সমস্যাৰাজিৰ কথা পূৰ্বৰ চৰকাৰ সমূহে উপলব্ধি নকৰিলে। এই প্ৰত্যাহ্বান সমূহ সমাধানৰ বাবে কোনো ধৰণৰ প্ৰয়াস নকৰিলে। বিকাশৰ বাবেও কোনো শক্তিশালী পদক্ষেপ গ্ৰহণ নকৰিলে। বৰ্তমান চৰকাৰে কাৰ্যভাৰ গ্ৰহণ কৰি এই অঞ্চলৰ লোকসকলৰ মনৰ বেদনা উপলব্ধি কৰিবলৈ প্ৰয়াস কৰে আৰু সমস্যা সমাধানৰ বাবে নিৰন্তৰ প্ৰয়াস আৰম্ভ কৰে বুলি প্ৰধানমন্ত্ৰীয়ে কয়। এই অঞ্চলটোত পূৰ্বে ঔদ্যোগিক বিনিয়োগৰ বাবে কোনো প্ৰয়াস কৰা হোৱা নাছিল। অঞ্চলটোৰ উন্নয়ন অধিক ত্বৰান্বিত কৰাৰ বাবে বিনিয়োগৰ পদক্ষেপ গ্ৰহণ কৰাৰ ফলত নতুন নতুন উদ্যোগ স্থাপন হ'বলৈ আৰম্ভ কৰিছে। আজি উত্তৰ পূৰ্বাঞ্চলৰ প্ৰতি দেশৰ অন্য প্ৰান্তৰ লোকৰ ধাৰণা সলনি হৈছে

আৰু পৰ্যটনৰ অন্যতম ক্ষেত্ৰলৈ এই অঞ্চল ৰূপান্তৰিত হৈছে বুলি কয়। যোৱা ৫ বছৰত গ্ৰহণ কৰা পদক্ষেপৰ বাবে দেশৰ বিকাশৰ নতুন ইঞ্জিন হিচাপে এই অঞ্চল পৰিগণিত হৈছে বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে পূৰ্বতে দিল্লীৰ পৰা অঞ্চলটো বহু দূৰ এনে এক দৃষ্টিভংগী আছিল। আজি কেন্দ্ৰীয় মন্ত্ৰী সকলে প্ৰতি পষেকত অঞ্চলটো ভ্ৰমণ কৰি জনসাধাৰণৰ সৈতে আলাপ-আলোচনা কৰি সমস্যা সমাধানৰ বাবে প্ৰয়াস চলাই আহিছে। তেওঁ নিজেও অঞ্চলটোলৈ আহি বিকাশৰ গতি ত্বৰান্বিত কৰাৰ কামত নিয়োজিত হৈ আছে বুলি উল্লেখ কৰি কয় যে ত্ৰয়োদশ বিত্তীয় আয়োগে ৯০ হাজাৰ কোটি টকাতকৈও কম পুঁজি আবন্টন কৰিছিল। কিন্তু বৰ্তমানৰ চৰকাৰৰ কাৰ্যকালত চতুৰ্থ বিত্তীয় আয়োগে অঞ্চলটোৰ বাবে ৩ লাখ কোটিৰো অধিক টকাৰ পুঁজিৰ আবন্টন কৰিছে বুলিও প্ৰধানমন্ত্ৰীয়ে কয়।

প্ৰধানমন্ত্ৰীয়ে কয় যে যোৱা তিনি-চাৰি বছৰত ৩ হাজাৰ কিলোমিটাৰ পথ নিৰ্মাণ, ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণ, মিটাৰ গজক ব্ৰজ গজলৈ পৰিৱৰ্তন, নতুন বিমান বন্দৰ নিৰ্মাণ আৰু পুৰণি বিমান বন্দৰ আধুনিকীকৰণ, জল পৰিবহন ব্যৱস্থা সূচল কৰা, শিক্ষা, যুৱ প্ৰজন্মৰ দক্ষতা, ক্ৰীড়াৰ বিকাশ সাধন, ছাত্ৰ-ছাত্ৰীৰ বাবে দিল্লী আৰু বেংগালুৰত নতুন হোষ্টেল নিৰ্মাণ, ইন্টাৰনেট সংযোগ সুদৃঢ় কৰাৰ দৰে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰা হৈছে। প্ৰধানমন্ত্ৰীয়ে কয় যে পুৰণি প্ৰকল্প সমূহ সম্পূৰ্ণ কৰাৰ উপৰি নতুন প্ৰকল্প সমূহ শীঘ্ৰে সম্পূৰ্ণ কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিছে। ভাষণ প্ৰসংগত প্ৰধানমন্ত্ৰীয়ে ঐতিহাসিক 'ব্ৰু চুক্তি' আৰু 'এন এফ এল টি চুক্তি'ৰ বিষয়ে উল্লেখ কৰে।

প্ৰধানমন্ত্ৰীয়ে কয় যে নাগৰিকত্ব সংশোধনী আইন সম্পৰ্কে বহু ভুল তথ্যৰ প্ৰচাৰ চলাই থকা হৈছে। 'কা'ৰ ফলত কোনো ক্ষতিগ্ৰস্ত নহয় বুলি প্ৰধানমন্ত্ৰীয়ে কয়। প্ৰধানমন্ত্ৰীয়ে কয় কিছু শক্তিয়ে অপপ্ৰচাৰৰ জৰিয়তে ৰাইজৰ মাজত বিভ্ৰান্তিৰ সৃষ্টি কৰিছে। অসমলৈ কেইবা লাখ মানুহ আহি থিতাপি ল'ব বুলি অপপ্ৰচাৰ চলাইছে। প্ৰধানমন্ত্ৰীয়ে স্পষ্টকৈ কয় যে অসম-বিৰোধী আৰু ভাৰত-বিৰোধী কোনো শক্তিকে সহ্য কৰা নহ'ব।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰয়াসৰ বাবে আজি অসমে ভাৰতবৰ্ষৰ ভিতৰত সুকীয়া স্থান লাভ কৰিবলৈ সক্ষম হৈছে। মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰধানমন্ত্ৰী আৰু কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহৰ বাবেই বড়ো শান্তি চুক্তি স্বাক্ষৰিত হোৱাটো সম্ভৱ হ'ল আৰু ইয়ে সমগ্ৰ অঞ্চলটোৰ আৰ্থ-সামাজিক বিকাশৰ ক্ষেত্ৰত এক যুগান্তকাৰী পৰিৱৰ্তন সম্ভৱ কৰি তুলিব। বড়ো জাতিৰ সংগ্ৰামত বলিষ্ঠ ভূমিকা গ্ৰহণ কৰা বডোফা উপেন্দ্ৰ নাথ ব্ৰহ্মলৈ শ্ৰদ্ধা জ্ঞাপন কৰি মুখ্যমন্ত্ৰীয়ে কয় যে বড়ো জাতি নিৰ্ভীক, সাহসী আৰু কৰ্মদক্ষ। এতিয়া বড়ো জাতিয়ে বিশ্বৰ শ্ৰেষ্ঠ জাতি হিচাপে পৰিগণিত হোৱাৰ বাবে সৰ্বাত্মক প্ৰয়াস চলাব লাগিব। বড়ো শান্তি চুক্তি অকল অসমৰ বাবেই নহয় সমগ্ৰ ভাৰতবাসীৰ বাবে আনন্দৰ বতৰা। এই বড়ো চুক্তিয়ে বড়োলেণ্ড স্বায়ত্ত শাসিত অঞ্চলত বসবাস কৰা লোকসকলক দৃঢ়তাৰে আগুৱাই যোৱাৰ ক্ষেত্ৰত সুযোগ প্ৰদান কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে কয় যে কেৱল বড়ো জনগোষ্ঠীয়ে নহয়, এই চুক্তিখনৰ

জৰিয়তে অঞ্চলতটোত বসবাস কৰা বিভিন্ন জাতি-জনগোষ্ঠী, ভাষা-ভাষী, ধৰ্মালম্বী লোক সমানে উপকৃত হ'ব।

মুখ্যমন্ত্ৰীয়ে কয় যে ২০১৪ চনত প্ৰধানমন্ত্ৰী হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ বিকাশৰ বাবে গ্ৰহণ কৰা পদক্ষেপ সমূহে সমগ্ৰ অঞ্চলটোৰ জনসাধাৰণৰ মাজত আত্ম বিশ্বাসৰ ভাৰ প্ৰগাঢ় কৰিছে। প্ৰধানমন্ত্ৰীয়ে এই অঞ্চলটোক অষ্টলক্ষ্মী আৰু ভাৰতৰ বিকাশৰ নতুন ইঞ্জিন হিচাপে অভিহিত কৰি এক নতুন পৰিচয় দেশবাসীৰ সন্মুখত দাঙি ধৰিছে। মুখ্যমন্ত্ৰীয়ে লগতে কয় প্ৰধানমন্ত্ৰীয়ে বিকাশৰ যি পথ দেখুৱাইছে সেই পথত উত্তৰ পূববাসী আজি আগবাঢ়ি গৈছে। এক্ট ইষ্ট পলিচিৰ জৰিয়তে দক্ষিণ পূব এছিয়াৰ সৈতে সম্পৰ্ক সুদৃঢ়কৰণৰ বাবে প্ৰধানমন্ত্ৰীয়ে লোৱা প্ৰয়াসৰ বাবেই আজি নতুন প্ৰজন্মই সাহসেৰে আগুৱাই যোৱাৰ বাট প্ৰশস্ত হৈ পৰিছে। বড়ো চুক্তি স্বাক্ষৰকাৰী সকলক ধন্যবাদ জ্ঞাপন কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই চুক্তিৰ জৰিয়তে অসমৰ ভৌগোলিক পৰিসীমা অক্ষত থাকিব। আমি সকলোৱে মিলি সাৰ্বজনীন চিন্তাৰে পৰিশ্ৰমৰ জৰিয়তে দৃষ্টান্তমূলক পদক্ষেপ ল'ব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে কয় যে আমি সকলোৱে একে লগে থাকি অসমক ভাৰতবৰ্ষৰ এখন শ্ৰেষ্ঠ ৰাজ্য হিচাপে গঢ়ি তোলাৰ প্ৰয়াসত ব্ৰতী হ'ব লাগিব।

বিটিচি প্ৰধান হাগ্ৰামা মহিলাৰীয়ে আদৰণি ভাষণ প্ৰদান কৰা আজিৰ এই অনুষ্ঠানত বিত্ত, স্বাস্থ্য ইত্যাদি বিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাইও ভাষণ প্ৰদান কৰে। আবছুৰ সভাপতি প্ৰমোদ বড়োৱে চুক্তি স্বাক্ষৰকাৰী সংগঠন সমূহৰ হৈ সভাত ভাষণ প্ৰদান কৰে।

অনুষ্ঠানত ৰাজ্যপাল অধ্যাপক জগদীশ মুখী, সাংসদ বিশ্বজিৎ দৈমাৰী, বড়ো সাহিত্য সভাৰ সভাপতি তৰেণ বড়ো, প্ৰাক্তন সাংসদ ইউ জি ব্ৰহ্ম, এনডিএফবি গোট সমূহৰ নেতা ক্ৰমে ৰঞ্জন দৈমাৰী, গোবিন্দ বসুমতাৰী, ধীৰেন বড়ো, বি চাইৰাইগ্ৰা আৰু আবছুৰ সাধাৰণ সম্পাদক লৰেঞ্চ ইছলাৰী প্ৰমুখ্যে বড়ো জনগোষ্ঠীৰ বিভিন্ন সংগঠনৰ নেতাসকলৰ লগতে গণ্য-মান্য ব্যক্তি সকল উপস্থিত থাকে।

**স্বাঃডেঃ / পুঃডেঃ / বীঃগঃ**
**৭/০২/২০২০**